# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-10-2024
**Time :** 0755 Hrs

## *Assamese Morning Bulletin*
**- - - - - - - - - - - - -**

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাষা গৌৰৱ সপ্তাহ পালনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে কালি এখন বৈঠকত অধ্যক্ষতা কৰে। কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ উদযাপন কল্পে ৩ৰ পৰা ৯ নৱেম্বৰলৈ ৰাজ্যজুৰি ভাষা গৌৰৱ সপ্তাহ পালন কৰা হ'ব। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমৰ এটা পোষ্টযোগে এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ জনসাধাৰণ আৰু প্ৰবাসী অসমীয়াসকলক অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান আৰু ৰাজ্যখনৰ জীৱন্ত ভাষিক বৈচিত্ৰ্যতাৰ উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ইয়াৰ পূৰ্বে শ্ৰীশৰ্মাই কৈছিল যে সকলো বিদ্যালয়, মহাবিদ্যালয় আৰু ৰাজহুৱা কাৰ্যালয়ে এই কাৰ্যসূচীত অংশ ল'ব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমীয়া ভাষাৰ বিকাশ আৰু সংৰক্ষণৰ অৱদান আগবঢ়োৱা সাহিত্যিকসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ভাষা গৌৰৱ সপ্তাহৰ সময়ছোৱাত দুহেজাৰ বছৰ পুৰণি অসমীয়া ভাষাৰ বিভিন্ন তথ্য উন্মোচিত হ'ব।

ooooo

মাজুলীৰ কমলাবাৰী আৰু নিমাতী পাৰঘাট সংযোগী ফেৰী সেৱা আজি পুনৰ আৰম্ভ হ'ব। টিকট ক্ৰয় প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। পৰিবহন মন্ত্ৰী কেশৱ মহন্তই এই বিষয়ে প্ৰকাশ কৰি কয় যে ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিকভাৱে হ্ৰাস পোৱাৰ লগতে কমলাবাৰী পাৰঘাটৰ দিশত জলপথৰ কিছু অংশত নতুনকৈ পৰা বালিচৰৰ বাবে যোৱা ২০ অক্টোবৰৰ পৰা নিয়মীয়া ফেৰী সেৱা বন্ধ ৰাখিবলগীয়া হৈছিল। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ অভ্যন্তৰীণ জল পৰিবহন বিভাগে কেন্দ্ৰীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সহযোগত ২৫ অক্টোবৰৰ পৰা খনন কাৰ্য চলাই  জলপথটো ফেৰী চলাচলৰ বাবে সুগম কৰি তুলিছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

ৰাজ্যিক নিৰ্বাচন আয়োগে ২০২৫ বৰ্ষৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰিছে। ভোটদাতাসকলে বিশেষ সংক্ষিপ্ত সংশোধনী সন্দৰ্ভত নিজৰ ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ২৮ নৱেম্বৰৰ ভিতৰত নাগৰিকে দাবী বা আপত্তি দৰ্শাব পাৰিব। এই সময়ছোৱাত ৰাজ্যবাসীয়ে প্ৰ-পত্ৰ ৬, ৬(ক), ৭ আৰু ৮ পূৰণ কৰিব পাৰিব। ৰাজ্যিক নিৰ্বাচন আয়োগে ৯, ১০, ১৬ আৰু ১৭ নৱেম্বৰত বিশেষ প্ৰচাৰৰ দিন ধাৰ্য কৰিছে। খচৰা ভোটাৰ তালিকা সন্দৰ্ভত দাবী আৰু আপত্তিসমূহ অহা ২৪ ডিচেম্বৰত নিষ্পত্তি কৰা হ'ব। আনহাতে অহা ৬ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ভোটদাতাসকলে www.ceoassam.nic.in ৱেবছাইটযোগে ভোটাৰ তালিকাত নিজৰ নাম পৰীক্ষা কৰিব পাৰিব। জিলা নিৰ্বাচন কাৰ্যালয়, ই আৰ অ' অথবা চক্ৰ বিষয়াৰ কাৰ্যালয়ত নাইবা সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰতো নিজৰ নাম চাব পাৰিব।

০০০০০

অবৈধ অনলাইন ট্ৰেডিঙৰ গোচৰত অভিযুক্ত দীপাংকৰ বৰ্মনক আজি আদালতত হাজিৰ কৰোৱা হ'ব। অভিযুক্তজনক গোৱাৰ পৰা কালি গুৱাহাটীলৈ লৈ অনা হয়। নিশা পাণবজাৰ থানাত আৰক্ষী অপৰাধ অনুসন্ধান শাখাই তেঁওক জেৰা চলায়।

০০০০০

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ  সফল পৰিচালনা সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই জিলাখনত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট সকলোকে নিজ নিজ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। বৈঠকত যোৰহাটৰ আৰক্ষী অধীক্ষক, খণ্ড উন্নয়ন বিষয়াৰ লগতে সংশ্লিষ্ট বিভাগৰ বিষয়া প্ৰমুখ্যে জিলা ক্ৰীড়া সংস্থাৰ বিষয়ববীয়া উপস্থিত থাকে।

০০০০০

ৰাজ্য চৰকাৰে **সত্যনিষ্ঠাৰ সংস্কৃতিৰ দ্বাৰা দেশৰ সমৃদ্ধি** শ্লোগানেৰে  ২৮ অক্টোবৰৰ পৰা তদাৰকী সজাগতা সপ্তাহ ২০২৪ উদযাপন কৰিছে। প্ৰশাসন ব্যৱস্থা নিকা কৰা তথা দুৰ্নীতি পৰায়ন বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ লক্ষ্যৰে এই সপ্তাহ পালন কৰি থকা হৈছে। এই পৰিপ্ৰেক্ষিতত এখন বিজ্ঞপ্তিৰ জৰিয়তে চৰকাৰী বিষয়া বা কৰ্মচাৰীয়ে উৎকোচ বিচাৰিলে ফোন বা সামাজিক মাধ্যমযোগে যোগাযোগ কৰিবলৈ দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে আহ্বান জনাইছে। অভিযোগৰ বাবে ১৮০০৩৪৫৩৭৬৭ টোল ফ্ৰী নম্বৰত বা ০৩৬১-২৪৬২২৯৫ নম্বৰত ফোন কৰি নিয়ন্ত্ৰণ কক্ষৰ সৈতে যোগাযোগ কৰিব পৰা যাব। ইয়াৰ উপৰি অভিযোগকাৰীয়ে হোৱাটছএপৰ লগতে আৰক্ষী অধীক্ষকৰ ফোন নম্বৰ আৰু ইমেইল বা এক্সৰ মাধ্যমেৰেও যোগাযোগ কৰিব পাৰিব।

০০০০০

২০০৮ চনৰ ৩০ অক্টোবৰত সন্ত্ৰাসবাদীৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ ঘটনাৰ আজি ১৬ বছৰ সম্পূৰ্ণ হৈছে। গুৱাহাটী, কোকৰাঝাৰ, বঙাইগাঁও আৰু বৰপেটা ৰোডত সংঘটিত বোমা বিস্ফোৰণত বহু লোকে প্ৰাণ হেৰুৱাইছিল। অসম ছাত্ৰ সন্থাই আজি ৰাজ্যজুৰি বোমা বিস্ফোৰণত নিহত সকলৈ বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনাব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সন্ত্ৰাসবাদীৰ দ্বাৰা সংঘটিত ধাৰাবাহিক বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাইছে।

০০০০০

সমাপ্ত